**গৌহাটী উচ্চ ন্যায়ালয়**

**( অসম নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)**

**এম এ চি আপীল নং ৩১–১৭**

**শ্ৰী মৃণাল কান্তি দেবনাথ আৰু অন্যান্য ছয়...আবেদনকাৰী**

**- বনাম -**

**মেচাৰ্চ ইউনাইটেড ইণ্ডিয়া বীমা কোম্পানী লিমিটেড আৰু অন্যান্য**

**দুই...উত্তৰদাতাসকল**

**সন্মানীয় ন্যায়াধীশ শ্ৰীমতী মালাশ্ৰী নন্দীৰ পীঠত**

আবেদনকাৰী/আবেদনকাৰীসকলৰ হৈঃ শ্ৰীযুত চি. চৌহান

প্ৰতিবাদীসকলৰ হৈঃ এম. এছ. এম. চৌধুৰী।

শুনানিৰ তাৰিখঃ ০৯–১২–২০২১

বিচাৰ আৰু আদেশৰ তাৰিখঃ ১৯–০১–২০২২

১. আবেদনকাৰীসকলক প্ৰতিনিধিত্ব কৰা বিদ্বান পৰামৰ্শদাতা শ্ৰী এছ চৌহানৰ লগতে প্ৰতিবাদী পক্ষক প্ৰতিনিধিত্ব কৰা বিদ্বান পৰামৰ্শদাতা শ্ৰীমতী এম চৌধুৰীৰ যুক্তি শুনা হল।

২. আবেদনকাৰীসকলে এম এ চি গোচৰ নং ১৪১৩/২০১৪ সংক্ৰান্তে কামৰূপ মহানগৰৰ মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ-২-য়ে প্ৰদান কৰা ৪,২৫০০০ টকাৰ ক্ষতিপূৰণক প্ৰত্যাহবান জনাই এই আপীল দাখিল কৰিছে। তেওঁলোকৰ এই দাবীৰ ভিত্তি হ'ল যে দাবীদাৰসকল মৃতকৰ নাবালিকা ছোৱালী আৰু বিধৱা মাতৃ আৰু তেওঁলোক মৃতকৰ ওপৰত নিৰ্ভৰশীল আছিল, গতিকে এনে নিৰ্ভৰশীলতাৰ ক্ষতিৰ কথাটো বিবেচনা কৰি এই ক্ষতিপূৰণৰ পৰিমাণ সংশোধন কৰি বঢ়াই দিব লাগে।

৩. মই ন্যায়াধিকৰণৰ বিচাৰ বিবেচনা কৰি চালো। ন্যায়াধিকৰণে ক্ষতিপূৰণৰ পৰিমাণ তলত দিয়া ধৰণে মূল্যায়ন কৰিছেঃ

ক) অন্ত্যেষ্টিক্ৰিয়াৰ ব্যয়-২৫০০০/-টকা

খ) সম্পত্তিৰ ক্ষতি ১০০০০০/-টকা

গ) সংসৰ্গৰ ক্ষতি ১০০০০০/-টকা

ঘ) মৰম আৰু ভালপোৱাৰ ক্ষতি -৪,২৫,০০০/-(মাত্ৰ চাৰি লাখ পঁচিশ হাজাৰ টকা)।

৪) স্বীকাৰ কৰিব লাগিব যে যোৱা ৩০-১২-২০১৩ তাৰিখে অসমৰ হোজাই জিলাৰ লংকা থানাৰ অধীনত লংকাৰ ৰাজীৱ নগৰত সন্ধিয়া প্ৰায় ৩ বাজি ৪৫ মিনিটত এ. এছ-০১ডিডি/০০২০ (মহিন্দ্ৰা পিক আপ ভেন) বাহনৰ দ্বাৰা সংঘটিত এক দুৰ্ঘটনাত স্বপ্না ৰাণী দেবনাথৰ মৃত্যু হোৱাৰ সন্দৰ্ভত কোনো বিতৰ্ক নাই।

৫) আপীলকাৰীক প্ৰতিনিধিত্ব কৰা বিদ্বান পৰামৰ্শদাতাৰ একমাত্ৰ দাবী হৈছে যে বিদ্বান ন্যায়াধিকৰণ এই কথা বিবেচনা কৰাত বিফল হৈছে যে ২,৩,৪,৫ আৰু ৬ নং দাবীদাৰ মৃতকৰ অবিবাহিতা কন্যা আৰু তেওঁলোক তেওঁলোকৰ উপাৰ্জনকীৰ মাতৃৰ ওপৰত নিৰ্ভৰশীল আছিল গতিকে তেওঁলোকে নিৰ্ভৰশীলতা হেৰুওৱাৰ ক্ষতিৰ কথাও বিবেচনা কৰা উচিত আছিল। তেওঁৰ যুক্তিৰ সমৰ্থনত, আপীলকাৰী বিদ্বান পৰামৰ্শদাতাই নিম্নলিখিত গোচৰত অনুসৰণ কৰা আইনৰ কথা উল্লেখ কৰিছে।

(ক) গুজৰাট ৰাজ্যিক পথ পৰিবহণ নিগম, আহমেদাবাদ - ৩ এছচিচি ২৩৪ (১৯৮৭),

(খ) মঞ্জুৰী বেৰা (শ্ৰীমতী) বনাম অৰিয়েণ্টেল বীমা প্ৰতিষ্ঠান লিমিটেড আৰু অন্যান্য (২০০৭) ১০ এছচিচি ৬৪৩ ত প্ৰকাশিত প্ৰতিবেদন মতে।

(গ) ৰাজেন্দ্ৰ সিং আৰু অন্যান্য বনাম নেশ্যনেল ইন্সিওৰেঞ্চ কোম্পানী লিমিটেড আৰু অন্যান্যসকল ৭ এছচিচি ২৫৬, (২০২০)ত প্ৰকাশিত প্ৰতিবেদন অনুসৰি।

(ঘ) নেশ্যনেল ইন্সিওৰেঞ্চ কোম্পানী লিমিটেড বনাম বিৰেন্দৰ আৰু অন্যান্যসকল ১১ এছচিচি ৩৫৬(২০২০)ত প্ৰকাশিত প্ৰতিবেদন।

(ঙ) নিউ ইণ্ডিয়া এচুৰেন্স কোম্পানী লিমিটেড আৰু অন্যান্য বনাম ভি শ্লামী আৰু অন্যান্য, জি এল টি ২০, ২০২১ ত প্ৰকাশিত প্ৰতিবেদন।

(চ) কীৰ্তি আৰু অন্যান্য বনাম অৰিয়েণ্টেল বীমা প্ৰতিষ্ঠান লিমিটেড ২ এছচিচি ১৬৬, ২০২০ ত প্ৰকাশিত প্ৰতিবেদন।

৬. আনহাতে, বীমা প্ৰতিষ্ঠানৰ বিদ্বান পৰামৰ্শদাতাই দাবী কৰিছে যে এক নং দাবীদাৰ অৰ্থাৎ এক নং সাক্ষী মৃতকৰ স্বামীয়ে ক'তো এই কথা উল্লেখ কৰা নাই যে তেওঁ তেওঁৰ মৃত পত্নীৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল আছিল। তেওঁৰ এখন সুলভ মূল্যৰ দোকান আছে। বিদ্বান ন্যায়াধিকৰণে যুক্তিসংগত ভাৱেই ৰায় প্ৰদান কৰিছে। বিদ্বান

ন্যায়াধিকৰণে প্ৰদান কৰা ৰায়টোত হস্তক্ষেপ কৰাৰ কোনো সুৰুঙা নাই গতিকে আপীলটো নাকচ কৰিব লাগে।

বীমা প্ৰতিষ্ঠানৰ পৰামৰ্শদাতাই তেওঁৰ যুক্তিৰ সমৰ্থনত এটা গোচৰৰ আইনৰ কথা উল্লেখ কৰিছে -- কৌছনুমা বেগম (শ্ৰীমতী) আৰু অন্যান্য বনাম নিউ ইণ্ডিয়া এচুৰেন্স প্ৰতিষ্ঠান লিমিটেড আৰু অন্যান্য। ২এছচিচি ৯, ২০০১-ত প্ৰকাশিত প্ৰতিবেদন অনুসৰি।

(৭) মই দুয়ো প্ৰতিদ্বন্দ্বী পক্ষৰ বিদ্বান পৰামৰ্শদাতাৰ যুক্তি শুনিলো।

(৮)মৃতকৰ স্বামী এক নং সাক্ষীৰ সাক্ষ্যৰ পৰা দেখা যায় যে মৃতকগৰাকীয়ে অঙ্গনৱাদী সহায়ক হিচাপে কাম কৰি আছিল আৰু তেওঁৰ মাহিলী দৰমহা আছিল ১৫০০/-টকা। ভৱিষ্যতে তেওঁৰ দৰমহা বৃদ্ধি হ'লহেঁতেন বুলি প্ৰমাণ কৰিব পৰাকৈ কোনো নথিপত্ৰ জমা দিয়া হোৱা নাই। মৃতকে ব্যক্তিগত টিউচনো কৰি আছিল বুলি প্ৰমাণ কৰিব পৰাকৈ তেওঁ কোনো নথিপত্ৰ দাখিল কৰা নাই।

(৯)জিতেন্দ্ৰ খিমশংকৰ ত্ৰিবেদী আৰু অন্যান্য বনাম কচাম দাউদ কুম্ভৰ আৰু অন্যান্য গোচৰ, এছ চি চি খণ্ড- ৪ (২০১৫)ত প্ৰকাশিত প্ৰতিবেদন অনুসৰি মাননীয় উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে ক্ষতিপূৰণৰ বিষয়টো য'ত মৃতক এগৰাকী গৃহিনী আছিল,

আনকি এম্ব্ৰইডাৰী আৰু চিলাইৰ কাম কৰি স্ব-নিয়োজিত নাছিল বুলি ধৰি ল'লেও, এটা কথা মানি ল'বই লাগিব যে তেওঁ এগৰাকী গৃহিণী আৰু ঘৰখন চোৱা-চিতা কৰা মহিলা আছিল। এগৰাকী গৃহিণী/মাতৃয়ে কৰা ঘৰুৱা কামক ধনেৰে মূল্যায়ন কৰা কঠিন। এগৰাকী মাতৃ/পত্নীৰ সেৱা ২৪ ঘণ্টাই উপলব্ধ আৰু তেওঁৰ কৰ্তব্যসমূহ কেতিয়াও নিৰ্ধাৰিত কৰা নাথাকে। আদালতে স্বীকাৰ কৰিছে যে পত্নীয়ে ঘৰখনৰ প্ৰতি আগবঢ়োৱা অৱদান অমূল্য আৰু ইয়াক ধনেৰে মূল্যায়ন কৰিব নোৱাৰি। এগৰাকী গৃহিণী/মাতৃয়ে কেৱল ঘড়ীৰ কাঁটাই নিৰ্ধাৰিত কৰি দিয়া সময়ৰ ভিতৰতে কাম নকৰে বৰঞ্চ তেওঁ গোটেই পৰিয়ালটোৰ বাবে নিৰন্তৰ উপস্থিত থাকে আৰু নিৰ্ভৰশীলতাৰ ক্ষতি গণনা কৰোঁতে গৃহিণী এগৰাকীৰ এনে সেৱাসমূহ নিতান্তই মনত ৰখা উচিত। সেয়েহে আনকি মৃতকগৰাকীক গৃহিণী হিচাপে গ্ৰহণ কৰিলেও তেওঁৰ উপাৰ্জন প্ৰতি মাহে ৩০০০ টকা নিৰ্ধাৰণ কৰাটো যুক্তিসংগত হ’ব। বৰ্তমানৰ গোচৰটোৰ পৰিস্থিতিও ব্যতিক্ৰম নহয় কিয়নো ইয়াত মৃত ব্যক্তিগৰাকীও আবেদনকাৰী/দাবীদাৰীৰ মাতৃ/পত্নী।

(১০) গৃহিণীগৰাকীৰ উপাৰ্জনৰ মূল্যায়নৰ ক্ষেত্ৰত অনুসৰণ কৰিবলগীয়া আইন লতা ৱাধৱা আৰু অন্যান্য বনাম বিহাৰ চৰকাৰ আৰু অন্যান্য, ৮ এছচিচি ১৯৭, ২০০১ত উল্লেখ কৰা হৈছে আৰু ওপৰোক্ত গোচৰত আইনমতে গোচৰটো ভালদৰেই নিষ্পত্তি কৰা

হৈছে যে মটৰ দুৰ্ঘটনাত মৃত্যু হোৱা পত্নী এগৰাকীৰ মূল্যায়ন কৰা উপাৰ্জনৰ পৰা একো কৰ্তন কৰিব নোৱাৰি।

(১১) বীমা প্ৰতিষ্ঠানৰ পৰামৰ্শদাতাগৰাকীয়ে মৃতকৰ উপাৰ্জনৰ ওপৰত যুক্তি দাঙি ধৰিছে যে যদি নিৰ্ভৰশীলতাৰ ক্ষতি বুলি গণ্য কৰা হয়, তেন্তে মৃতকৰ উপাৰ্জন ১৫০০ টকা নিৰ্ধাৰণ কৰা হ'ব, কাৰণ তথ্যৰ পৰা দেখা গৈছে যে মৃতকগৰাকী অঙ্গনৱাদী কৰ্মী আছিল আৰু তেওঁৰ মাহিলী দৰমহা আছিল মাহে ১৫০০ টকা।

(১২) এই যুক্তিটো ভুল। ১৯৮১ চনত সংঘটিত হোৱা লতা ৱাধৱা(সুপ্ৰা)ৰ দুৰ্ঘটনাৰ গোচটোৰ ক্ষেত্ৰত মাননীয় উচ্চতম ন্যায়ালয়ে এগৰাকী গৃহিণীৰ অৱদানৰ মূল্যায়ন কৰিছিল প্ৰতি মাহে ৩০০০ টকাকৈ। বৰ্তমানৰ গোচৰটোৰ ক্ষেত্ৰত ১৩.১২.২০১৩ তাৰিখে অৰ্থাৎ ৩২ বছৰৰ পিছত দুৰ্ঘটনাটো সংঘটিত হৈছে। মোৰ বিবেচনা অনুসৰি, এগৰাকী গৃহিণীক কেৱল 'দক্ষ শ্ৰমিক" হিচাপে চিহ্নিত কৰাটোৱে ঘৰৰ পৰিচালক হিচাপে তেওঁৰ বিবিধ ভূমিকাক ন্যায় প্ৰদান কৰিব নোৱাৰে। লতা ৱাধৱা (সুপ্ৰা)ৰ দুৰ্ঘটনাটো আৰু বৰ্তমান দুৰ্ঘটনাটোৰ মাজত ৩২ বছৰৰ ব্যৱধানৰ কথা মনত ৰাখি, মই এই সিদ্ধান্তত উপনীত হৈছো যে গৃহিণীগৰাকীৰ অৱদান এজন দক্ষ শ্ৰমিকতকৈ অধিক আছিল আৰু বৰ্তমানৰ গোচৰত মৃতকৰ অৱদানৰ পৰিমাণ অধিক বুলি

বিবেচনা কৰি কোনো কৰ্তন নোহোৱাকৈ ৫০০০ টকাত স্থিৰ কৰাটো অযৌক্তিকৰ নহ'ব।

(১৩)দাবীৰ আবেদন অনুসৰি, দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সময়ত মৃতকৰ বয়স আছিল ৪০ বছৰ। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনতো প্ৰকাশ পাইছে যে দুৰ্ঘটনাৰ সময়ত মৃতকৰ বয়স ৪০ বছৰ আছিল।ইয়াৰ উপৰিও আবেদনকাৰীয়ে মৃত স্বপ্না ৰাণী দেবনাথৰ বিদ্যালয়ৰ প্ৰমাণপত্ৰও জমা দিছে, আৰু সেইখনৰ মতে তেওঁৰ জন্ম তাৰিখ ২৪.১১.১৯৭৩। দুৰ্ঘটনাটো সংঘটিত হৈছিল ৩০.১২.২০১৩ তাৰিখে। এইটো স্পষ্ট যে দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সময়ত মৃতকৰ বয়স আছিল ৪০ বছৰ। ৬ এছ চি চি ১২১ (২০০৯)ত প্ৰকাশিত সৰলা বাৰ্মা বনাম ডিটিচি গোচৰ অনুসৰি এইক্ষেত্ৰত গুণক হ'ব ১৫।

১৪. ২০১৪ চনৰ এছএলপি (দেৱানী) নম্বৰ ২৫৫৯০ অনুসৰি (নেশ্যনেল ইন্সিওৰেঞ্চ কোম্পানী লিমিটেড বনাম ভি. এছ. প্ৰণয় শেঠী আৰু অন্যান্য), মাননীয় উচ্চতম ন্যায়ালয়ে মৃত্যুৰ গোচৰৰ পৰম্পৰাগত শিতানত যুক্তিসংগত পৰিমাণৰ ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিছে। যেনে-সম্পত্তিৰ ক্ষতি, সংসৰ্গৰ ক্ষতি আৰু অন্ত্যেষ্টিক্ৰিয়াৰ ব্যয় হ'ব লাগিব ক্ৰমে ১৫০০০/-, ৪০০০০/- আৰু ১৫০০০/- টকা।

১৫. সেয়েহে, উপৰোক্ত আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি, তাৎক্ষণিক গোচৰটোৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ গণনা তলত দিয়া ধৰণে কৰা হওক–

ক) মৃতকৰ বাৰ্ষিক উপাৰ্জন ৫০০০x ১২ = ৬০,০০০/- টকা।

খ) গুণকৰ সৈতে পূৰণ কৰাৰ পিছত, পৰিমাণটো ৬০০০০X১৫ = ৯,০০০০০-টকালৈ আহে।

গ) অন্ত্যেষ্টিক্ৰিয়াৰ ব্যয় = ১৫০০০/- টকা

ঘ) সংসৰ্গৰ ক্ষতি ৪০০০০/- টকা

ঙ) সম্পত্তিৰ ক্ষতি ১৫,০০০/- মুঠ = ৯,৭০,০০০-(ন লাখ সত্তৰ হাজাৰ টকা)

১৬. এম. এ. চি. গোচৰ নম্বৰ ১৪১৩/২০১৪ ৰ তথ্যৰ পৰা দেখা যায় যে মৃতকৰ দুগৰাকী কন্যা অৰ্থাৎ জুম্পি দেবনাথ আৰু শুক্লা দেবনাথ মাতৃ স্বপ্না ৰাণী দেবনাথৰ মৃত্যুৰ সময়ত নাবালিকা আছিল। সেয়েহে, ক্ষতিপূৰণৰ ৮০ শতাংশ নাবালিকা দুগৰাকীৰ মাজত ভাগ হ'ব আৰু বাকী ২০ শতাংশ ক্ষতিপূৰণ এক নং দাবীদাৰ অৰ্থাৎ স্বামী, মৃণাল কান্তি দেবনাথে লাভ কৰিব, যদিহে তেওঁ পুনৰ বিবাহ পাশত আৱদ্ধ নহয়। যদি স্বামীগৰাকী পুনৰ বিবাহ পাশত আৱদ্ধ হয়, তেন্তে কন্যাকেইগৰাকীয়ে ক্ষতিপূৰণৰ এশ শতাংশই লাভ কৰিব। ইউনাইটেড ইণ্ডিয়া বীমা প্ৰতিষ্ঠান লিমিটেডক

প্ৰয়োজনীয় ধন পৰিশোধ কৰিবলৈ আদেশ দিয়া হ'ল। সেই অনুসৰি, আপীলৰ অনুমতি দিয়া হ'ল।

খৰচৰ কোনো আদেশ নাই।

নিম্ন আদালতৰ নথি প্ৰেৰণ কৰা হওক।

**ন্যায়াধীশ**

অনুবাদঃ দিতিমণি গগৈ

বিশেষ বিষয়া

অনুবাদ শাখা